**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-06-2026 **Time :** 1715 Hrs.

**ASSAMESE EVENING BULLETIN**

**0000**

১। অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ হাই এলাৰ্ট জাৰি।

২। প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসমৰ অপাৰ সম্ভাৱনীয়তা আছে বুলি মন্ত্ৰী বিমল বৰাৰ প্ৰকাশ।

৩। মৰিগাঁৱত ডেংগি ৰোগত আক্ৰান্ত হৈ এগৰাকী যুৱতীৰ মৃত্যু।

*আৰু*

৪। ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা ডাবলছৰ যুটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ।

০০০০০০০

অসম চৰকাৰে অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানলৈ চাই হাই এলাৰ্ট জাৰি কৰিছে। প্ৰশাসনে ৰাজ্যৰ কেইবাখনো জিলাত বানৰ প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি, বিগত ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ য়াজালি অঞ্চলত ৭২ দশমিক ৮ মিলিমিটাৰ বৰষুণ হৈছে। অঞ্চলটোত বিশেষকৈ পুৱা ৬ৰ পৰা ৯ বজাৰ ভিতৰত হোৱা বৰষুণে আকষ্মিক বানৰ সৃষ্টি কৰিছে। আকস্মিক বানৰ বাবে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ এখন গে'ট খুলি দিবলগীয়া হৈছে। ইয়াৰ প্ৰভাৱ অসমৰ ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰ জিলাত পৰিব পাৰে বুলি সতৰ্কতা জাৰি কৰা হৈছে। এই প্ৰভাৱ পৰ্য্যায়ক্ৰমে অন্য জিলা হৈ ধুবুৰীলৈকে বিয়পিব পাৰে বুলি সতৰ্ক বাণীত উল্লেখ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মুখ্য সচিব ড০ ৰবি কোটাই সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰ সৈতে কথা-পাতিছে আৰু তেওঁলোকক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে। প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা জিলাসমূহৰ প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক পৰিস্থিতি নিৰীক্ষণ কৰি থাকিবলৈ আৰু সময়মতে সতকৰ্তামূলক ব্যৱস্থা অৱলম্বন কৰিবলৈ কোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্য জৰুকালীন সহায় সংস্থাসমূহক প্ৰয়োজন হ'লেই নিয়োজিত কৰিব পৰাকৈ সাজু কৰি ৰখা হৈছে।

ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক নৈ আৰু বিপদৰ আশংকা থকা ঠাইসমূহৰ স্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে দ' আৰু বানপ্ৰৱণ এলেকাত বাস কৰা লোকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনসাপেক্ষে নিৰাপদ স্থানলৈ যাবলৈ কোৱা হৈছে। বানৰ সময়ছোৱাত সৃষ্টি হোৱা কোৱাল সোঁতলৈ যাই জনসাধাৰণক বানৰ কবলত পৰা এলেকালৈ নাযাবলৈ আৰু থলুৱাভাৱে নিৰ্মিত নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুৰে যাতায়াত নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসমৰ অপাৰ সম্ভাৱনীয়তা আছে বুলি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত আত্মনিৰ্ভৰশীলতা বিষয়ক এখন কৰ্মশালাত অংশগ্ৰহণ কৰি শ্ৰীবৰাই আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰৰ নেতৃত্বত অসম ক্ৰমাৎ দেশৰ প্ৰতিৰক্ষা উৎপাদন মানচিত্ৰত শক্তিশালী স্থান দখলৰ দিশে আগবাঢ়িছে। তেওঁ লগতে খণ্ডটোৰ সৈতে জড়িত উদ্যোগসমূহক অসমত উৎপাদন কৰিবলৈ আৰু উৎপাদন গোট স্থাপন কৰিবলৈ আহ্বান জনায়।

বাইট

অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সামগ্ৰী উৎপাদনৰ দায়িত্বত থকা অতিৰিক্ত সচিব দিনেশ মাহুৰ, ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ড০ জে পি এক্কাৰ লগতে ডি আৰ ডি অ', ভাৰত ইলেকট্ৰনিকছ লিমিটেড, আই আই টি গুৱাহাটী আৰু অন্যান্য প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০০০

আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি শ্বিলঙৰ ৰাজ্যিক অতিথিশালাত মেঘালয় আৰু অসম চৰকাৰৰ আবকাৰী বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক আবকাৰী ব্যৱস্থা, সুৰাৰ মূল্যকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবৰাই কয় যে এই বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহত অধিক সুসংহত আবকাৰী ব্যৱস্থা গঢ়াৰ বাবে ৰাজ্যসমূহৰ মাজত মূল্য সমতা স্থাপনৰ ক্ষেত্ৰত সমন্বয় বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি মূল্য সমতা স্থাপনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা **উমিদ** শীৰ্ষক পদক্ষেপৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে এই ক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰে সমৰ্থন আগবঢ়োৱাৰ বিষয়েও অৱগত কৰে। বৈঠকত মেঘালয়ৰ আবকাৰী মন্ত্ৰী ব্ৰেনিং এ চাংমা, অসম চৰকাৰৰ আবকাৰী বিভাগৰ আয়ুক্ত জিতু দলেকে ধৰি কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০

মৰিগাঁৱৰ গছৰগুৰি নিবাসী সাগৰিকা ডেকা নামৰ যুৱতী এগৰাকীৰ ডেংগি ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনোৱা অনুসৰি, প্ৰায় ১৫ দিন পূৰ্বে কৰ্মস্থলীৰ পৰা উভতি অহাৰ পাছতে যুৱতীগৰাকী অসুস্থ হৈ পৰে। ৫ জুনত যুৱতীগৰাকীক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয় আৰু পাছদিনা স্বাস্থ্য কিছু সুস্থ হোৱাত ঘৰলৈ উভতি যায়। পুনৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাৰ ব্যৱস্থা কৰা হয়। চিকিৎসাৰ সময়ত ডেংগু ৰোগ ধৰা পৰে আৰু অৱশেষত কালি যুৱতীগৰাকীয়ে মৃত্যুক সাৱটি লয়। ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী হিচাপে দায়িত্ব বহন কৰি অহা সাগৰিকা ডেকাৰ অকাল মৃত্যুৱে পৰিয়াল তথা অঞ্চলবাসীক শোকস্তব্ধ কৰি তুলিছে। ডেংগু আৰু জাপানীজ এনকেফেলাইটিছ ৰোগৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত মৰিগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকগৰাকীয়ে এইদৰে কয় -

-বাইট-

০০০০০০০

বজালী জিলাৰ বনগাঁও অঞ্চলত আজি বিধায়ক ধৰ্মেশ্বৰ ৰায়ে বান পৰিস্থিতিৰ বুজ লয়। কালদিয়া নৈৰ বাঢ়নি পানীয়ে অঞ্চলটোৰ একাধিক স্থানত তীব্ৰ ক্ষয়-ক্ষতি সাধন কৰাৰ লগতে এটা মথাউৰি ছিগি

যোৱাৰ ফলত স্থানীয় ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। বিধায়কগৰাকীয়ে বনগাঁৱৰ বিভিন্ন অঞ্চল ঘূৰি বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে মত বিনিময় কৰে। স্থানীয় ৰাইজে বিধায়কগৰাকীক ভগ্ন মথাউৰি আৰু নৈৰ খহনীয়া অঞ্চলত অবৈধভাৱে বালি আৰু মাটি খনন কৰাৰ ফলত অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। বিধায়ক ৰায়ে পৰিস্থিতিৰ বুজ লোৱাৰ অন্তত জল-সম্পদ বিভাগৰ বিষয়াসকলক ভগ্ন মথাউৰি তিনিদিনৰ ভিতৰত মেৰামতি কৰাৰ নিৰ্দেশ দিয়ে। বিধায়কগৰাকীয়ে স্পষ্টভাৱে কয়, যে বান আৰু নৈৰ খহনীয়াৰ ফলত সাধাৰণ ৰাইজ যাতে অধিক কষ্টৰ সন্মুখীন নহয়, তাৰ বাবে অতি ক্ষীপ্ৰতাৰে প্ৰয়োজনীয় ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগিব। স্থানীয় জনসাধাৰণে কালদিয়া আৰু পহুমৰা নদীত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ বালি আৰু মাটি খননক লৈ বিধায়কগৰাকীৰ সন্মুখত ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে কয়, যে এই অবৈধ খননৰ ফলতে নদীৰ স্বাভাৱিক গতিপথ ব্যাহত হৈছে। বিধায়ক ৰায়ে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ইংগিত দিয়ে আৰু সংশ্লিষ্ট বিভাগসমূহক বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ আহ্বান জনায়। একে সময়তে বন বিভাগৰ ভূমিকাক লৈও সৰৱ হৈ উঠে স্থানীয় বিধায়কগৰাকী।

০০০০০০০

নগাঁও চহৰৰ আমোলাপট্টি নিবাসী বিশিষ্ট সমাজকৰ্মী, সংগঠক ৰেখা শৰ্মাৰ আজি পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। অঞ্চলটোৰ বিভিন্ন ধৰণৰ সামাজিক কাম-কাজৰ সৈতে জড়িত, অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী তথা বিজেপিৰ প্ৰাক্তন নেত্ৰী ৰেখা শৰ্মা সাহিত্য ৰচনাৰ সৈতেও জড়িত আছিল। ৯০ বছৰৰ ঊৰ্ধৰ মহিলাগৰাকীৰ বিয়োগত নগাঁও জিলা সাহিত্য সভাসহ বিভিন্ন সংস্থা-সংগঠন আৰু মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাকে ধৰি ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী তথা সুদক্ষ মহিলা সংগঠক ৰেখা শৰ্মাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰেখা শৰ্মাৰ বিয়োগ ৰাজ্যৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱৰ সভাপতিত্বত আজি জিলাখনৰ কৃষি বিভাগৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই পৰ্যালোচনা সভাত প্ৰধানমন্ত্ৰী ধান ধান্য কৃষি যোজনা ৰূপায়ণ তথা কৃষি বিভাগৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি জিলাখনত সম্প্ৰতি ৰূপায়ণ হৈ থকা কৃষি আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভতো আলোচনা কৰা হয়। সভাত কৃষি উন্নয়নক অগ্ৰাধিকাৰ দি কৃষকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতাৰ বাবে ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। সভাত মাহমৰা সমজিলা আয়ুক্ত, চৰাইদেউ অতিৰিক্ত জিলা আয়ুক্ত, কাৰ্যবাহী দণ্ডাধীশৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

শ্ৰীভূমি জিলা প্ৰশাসনে লংগাইৰ পৰা চান্দখানি সংযোগী পথত ১০ টনৰ অধিক ক্ষমতাসম্পন্ন গধুৰ যান-বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰিছে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি জিলাখনত বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত কাটাখালৰ লংগাই নদীৰ ওপৰত নৱনিৰ্মিত দলংখনৰ কিছু অংশ ক্ষতিগ্ৰস্ত হয়। এই

পথছোৱাৰে সম্ভাব্য দুৰ্ঘটনা প্ৰতিৰোধ তথা জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব।

০০০০০০০

ইউ এছ অ'পেন ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা ডাবলছৰ যুটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। ভাৰতীয় যুটীটোৱে প্ৰথম ৰাউণ্ডত স্পেইনৰ পাউলা ল'পেজ আৰু লুচিয়া ৰ'ড্ৰিগজক ২১-১২, ১৪-২১ আৰু ২১-১৩ গেমত পৰাস্ত কৰে। তৃষা আৰু গায়ত্ৰীয়ে পৰৱৰ্তী ৰাউণ্ডত জাপানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**